# কল্যাণ ভূঞাৰ কবিতা

Issue: Vol. IV, No. 2, August-October, 2025

**আকাশত নদী আছে**

আকাশত নদী আছে।
আকাশত নদী থাকে।

সহস্রাব্দ প্রাচীন
এটোপাল পানীৰ বাবে
উন্মুখ মই

এটোপাল চকুলো
এচমকা ডাৱৰ
এছাটি বৰষুণ
এখনি নদী
এখন মহাসাগৰ

পানীয়ে কাহিনী কয় সহস্রাব্দৰ
কাহিনী কয় মানুহ আৰু সভ্যতাৰ

নদী থাকে আকাশত
নদী আছে আকাশত।